অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ Ref : এজবেক/০৯/০৯/২০২২-২৩

তাৰিখ ঃ Date : ১০-১১-২০২২

# অসম জাতীয় বিদ্যালয়ত ‘আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা’ৰ আয়োজন

**গুৱাহাটী, ৯ নৱেম্বৰ, ২০২২** : অসম জাতীয় বিদ্যালয়ত অহা ৩ ডিচেম্বৰত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তৰ্ক প্ৰতিযোগিতাৰ বিষয় হৈছে— সদনৰ মতে ‘গণতান্ত্ৰিক ব্যৱস্থাই দেশৰ অৰ্থনৈতিক বিকাশৰ গতি মন্থৰ কৰে’। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত জাতীয় বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিখন বিদ্যালয়ৰ সৰ্বাধিক দুগৰাকী (এগৰাকী সপক্ষে আৰু এগৰাকী বিপক্ষে) প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। এইক্ষেত্ৰত প্ৰতিযোগীৰ সংখ্যা অধিক হ’লে প্ৰতিযোগিতাৰ বাবে আগতীয়াকৈ যোগাযোগ কৰি নাম অন্তৰ্ভুক্ত কৰোৱা শিক্ষাৰ্থী আৰু বিদ্যালয়ক অগ্ৰাধিকাৰ দিয়া হ’ব। ইচ্ছুক শিক্ষাৰ্থীসকলে ৱেবছাইটৰ পৰা নিৰ্দিষ্ট প্ৰপত্ৰ ডাউনলোড আৰু পূৰণ কৰি বিদ্যালয়ৰ ই-মেইল ajbecghy@gmail.com অথবা ৯৮৬৪২০২০৮০ নম্বৰত হোৱাট্‌ছএপযোগে পঠিয়াব পাৰিব। প্ৰতিযোগিতাৰ সবিশেষ তথ্য জানিবৰ বাবে ৯৮৬৪২০২০৮০ নম্বৰত ফ’ন কৰাৰ লগতে অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.com চাব পাৰিব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ
Ref :

তাৰিখ ঃ
Date :

# অসম জাতীয় বিদ্যালয়ত 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ আয়োজন

**গুৱাহাটী, ৯ নৱেম্বৰ, ২০২২ :** অসম জাতীয় বিদ্যালয়ত অহা ৩ ডিচেম্বৰত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিৰ নিয়মাৱলী এনে ধৰণৰ—

১। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত প্ৰতিখন বিদ্যালয়ৰ পৰা দুগৰাকীকৈ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব। এগৰাকী সপক্ষে আৰু আনগৰাকীয়ে বিপক্ষে বক্তব্য আগ বঢ়াব।

২। প্ৰতিযোগীসকল ৩ ডিচেম্বৰ, ২০২২ তাৰিখে পুৱা ৮.৪৫ বজাত অসম জাতীয় বিদ্যালয়, নুনমাটি চৌহদত উপস্থিত হ'ব লাগিব। প্ৰতিযোগিতা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব।

৩। প্ৰতিযোগীয়ে নিজ বিদ্যালয়ৰ নিৰ্দ্ধাৰিত পোছাক পৰিধান কৰিব লাগিব।

৪। প্ৰতিযোগীসকলে ইংৰাজী বা অসমীয়া যিকোনো এটা ভাষাত ক'ব পাৰিব।

৫। প্ৰতিযোগীসকলে নিৰ্দিষ্ট প্ৰপত্ৰযোগে প্ৰতিযোগিতাৰ বাবে আগতীয়াকৈ নাম দাখিল কৰিব লাগিব। প্ৰতিযোগীৰ সংখ্যা অধিক হ'লে আগতীয়াকৈ যোগাযোগ কৰি নাম দাখিল কৰা প্ৰতিযোগীক অগ্ৰাধিকাৰ দিয়া হ'ব।

৬। প্ৰতিযোগীসকলে ২৫ নৱেম্বৰৰ ভিতৰত যোগদানৰ বিষয়ে নিশ্চিত কৰিব লাগিব। প্ৰতিযোগীসকলে অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.com ৰ পৰা নিৰ্দিষ্ট প্ৰপত্ৰ ডাউনলোড আৰু পূৰণ কৰি বিদ্যালয়ৰ ই-মেইল assamjatiyabidyalay@gmail.com অথবা ৯৮৬৪২০২০৮০ নম্বৰত হোৱাট্ছএপযোগে ২৫ নৱেম্বৰৰ ভিতৰত পঠাব লাগিব।

৭। প্ৰতিযোগিতাত বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

৮। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল দিব নালাগে।

৯। প্ৰতিযোগিতাৰ আগদিনাৰ পৰাই প্ৰতিযোগীসকলৰ বাবে অসম জাতীয় বিদ্যালয় চৌহদত বিনামূলীয়াকৈ থকা আৰু খোৱাৰ ব্যৱস্থা কৰা হ'ব। তাৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে আগতীয়াকৈ এজবেকৰ কাৰ্য্যালয় সহায়ক মৌচম ৰাজখোৱাৰ ৯৮৬৪২০২০৮০ নম্বৰত দিনৰ ৯ বজাৰ পৰা ৪ বজাৰ ভিতৰত যোগাযোগ কৰি ২৫-১১-২০২২ তাৰিখৰ ভিতৰত জনাব লাগিব।

প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীসকলক নগদ ধন আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিকক নগদ ৫ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক ৪ হাজাৰ টকা আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকক ৩ হাজাৰ টকাৰ পুৰস্কাৰ আগ বঢ়োৱা হ'ব।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

# আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা

**স্থান : অসম জাতীয় বিদ্যালয়, নুনমাটি**

**তাৰিখ : ৩/১২/২০২২**

**JOINING FORM / যোগদানৰ প্ৰপত্ৰ**

প্ৰতিযোগীৰ নাম (Name of the competitor : শ্ৰেণী Class :

১। সপক্ষে (For the motion :

______________________________ ______________

ফ'ন নম্বৰ Phone No.

______________

২। বিপক্ষে (Against the motion :

______________________________ ______________

ফ'ন নম্বৰ Phone No.

______________

বিদ্যালয়ৰ নাম (Name of the school :

__________________________________________

বিদ্যালয়ৰ ঠিকনা (Address of the school :

__________________________________________

__________________________________________

__________________________________________

প্ৰতিযোগীৰ স্বাক্ষৰ :
Signature of the competitor

1.

2.

বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ স্বাক্ষৰ
Signature of the Head of the Institution

ফ'ন নং /Phone :

ই-মেইল /email :